নং ঃ ৩০/২০২১

মৈত্ৰী আঁচনিৰ অধীনত টেঙাখাট আৰক্ষী থানা শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

# দেশৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অসমৰ স্থান সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে দায়বদ্ধতাৰে কাম কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

## মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত টেঙাখাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ আৰু খেলুৱৈৰ প্ৰসাধন কক্ষৰ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৫ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ শাসনকালত শান্তি আৰু সমন্বয় বজাই ৰখাৰ ক্ষেত্ৰত উল্লেখনীয় সফলতা লাভ কৰিছে। ৰাজ্যৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সহাৰস্থানৰ জৰিয়তে দেশৰ ৫ খন অন্যতম শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অসমৰ স্থান সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে কাম কৰি আহিছে। আজি মৈত্ৰী আঁচনিৰ অধীনত নিৰ্মিত ডিব্ৰুগড় জিলাৰ টেঙাখাট আৰক্ষী থানাৰ শুভ উদ্বোধন কৰি এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে ৰাজ্যখনত শান্তি আৰু সমন্বয়ৰ বান্ধোন শক্তিশালী কৰিবলৈ সমৰ্থ হৈছে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত দল অথবা গোষ্ঠী সংঘৰ্ষৰ লেখীয়া ঘটনাসমূহ সংঘটিত হৈছিল বুলি উল্লেখ কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰৰ দিনত সকলো শ্ৰেণীৰ জনসাধাৰণৰ সহাৰস্থানৰ বাতাবৰণৰ সৃষ্টি কৰি শান্তি-সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধৰ বান্ধোন সুদৃঢ় কৰাৰ ক্ষেত্ৰত সফলতা লাভ কৰিছে। বৰ্তমানৰ ৰাজ্য চৰকাৰৰ দিনত ভাষা, ধৰ্ম, গোষ্ঠী, শ্ৰেণীৰ নামত কোনো ধৰণৰ সংঘাতৰ সূচনা হোৱা নাই। ৰাজ্যখনক বিকাশ আৰু উন্নয়নৰ দিশেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত সকলো শ্ৰেণীৰ জনসাধাৰণে সহযোগিতা আগবঢ়াই আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। পেচাদাৰী আৰু উৎকৰ্ষিত মনোভাৱেৰে অসম আৰক্ষীয়ে কাম কৰি অহাৰ ফলত ৰাজ্যখনৰ আইন-শৃংখলাজনিত পৰিস্থিতি উন্নত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আইন-শৃংখলাজনিত ব্যৱস্থা উন্নত হোৱাৰ ফলত অকল শান্তি-সম্প্ৰীতিয়ে নহয়, সকলো ধৰণৰ উন্নয়নমুখী আঁচনি ৰূপায়ণ সম্ভৱ হৈ পৰিছে। এই উন্নয়নমুখী যাত্ৰাৰে দেশৰ ৫ খন ৰাজ্যৰ ভিতৰত অসমৰ স্থান নিৰ্ণয়ৰ বাবে এক অনুকূল বাতাবৰণৰ সূচনা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনাই মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে স্মাৰ্ট পুলিচ গঢ়াৰ বাবে জনোৱা আহ্বানৰ পৰিপ্ৰেক্ষিতত মৈত্ৰী আঁচনিৰ অধীনত ৰাজ্যখনৰ আৰক্ষী থানাসমূহ আধুনিকীকৰণৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে আৰক্ষী থানাসমূহ অত্যাধুনিকৰূপে গঢ়ি তুলিব

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

বিচৰা হৈছে যাতে আৰক্ষী বাহিনীয়ে পেচাদাৰী মানসিকতাৰে ৰাজ্যৰ জনসাধাৰণৰ জীৱন আৰু সম্পত্তি সুৰক্ষিত কৰিব পাৰে। এনেধৰণৰ পদক্ষেপ পূৰ্বতে লোৱা হোৱা নাছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে ৰাজ্যৰ আৰক্ষী বাহিনীয়ে দায়বদ্ধতা আৰু নিষ্ঠাৰে কাম কৰাৰ ফলত আজি মহিলাৰ মৰ্যাদা বৃদ্ধি পাইছে, দুৰ্বল শ্ৰেণীৰ বিৰুদ্ধে অপৰাধ হ্ৰাস পাইছে আৰু উপান্ত শ্ৰেণীয়ে নিৰাপদে জীৱন নিৰ্বাহ কৰিবলৈ সমৰ্থ হৈছে। এশিঙীয়া গড়ৰ হত্যা বন্ধ হৈ পৰিছে আৰু সামগ্ৰিকভাৱে ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি উন্নত হৈ পৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে মৈত্ৰী আঁচনিৰ অধীনত প্ৰযুক্তিগত ব্যৱস্থাৰ প্ৰয়োগ কৰা হৈছে যাতে নতুন যোগাযোগৰ এই মাধ্যমৰ জৰিয়তে আৰক্ষী থানাসমূহক অধিক সৰলীকৰণ কৰিব পৰা যায়। প্ৰতিগৰাকী ব্যক্তিকে নায্যতা প্ৰদানৰ বাবে আধুনিক ব্যৱস্থাৰাজিৰ প্ৰয়োজনীয়তা আহি পৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত দুখীয়া আৰু অনুন্নত শ্ৰেণীৰ উন্নয়ন আৰু সৰলীকৰণৰ বাবে ডিজিটেল ব্যৱস্থাৰ প্ৰয়োগ কৰিছে। বেংক একাউণ্ট খোলাৰ বিষয়টো উল্লেখ কৰি তেওঁ কয় যে চৰকাৰী আঁচনিসমূহৰ ধন যাতে সম্পূৰ্ণৰূপে হিতাধিকাৰীসকলে লাভ কৰিব পাৰে তাক সুনিশ্চিত কৰিব বিচৰা হৈছে। মুখ্যমন্ত্ৰীয়ে ৮.৫ লাখ চাহ শ্ৰমিকক বেংক একাউণ্ট খোলাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি কয় যে ইয়ে তেওঁলোকক বৃহৎ পৰিসৰত বিত্তীয় অন্তৰ্ভূক্তিৰ সুযোগ প্ৰদান কৰিছে।

অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, দুলীয়াজানৰ বিধানসভা সমষ্টিৰ বিধায়ক তেৰচ গোৱালা, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙেও ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডিপু ৰঞ্জন মাক্ৰাৰী, অসম গেছ কোম্পানী লিডিটেডৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ, আছাম পুলিচ হাউছিং কৰ্পৰেশ্যন লিমিটেডৰ পৰিচালন সঞ্চালক অৰবিন্দ কলিতা, ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক প্ৰতীক ডুবে আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত নিৰ্মিত টেঙাখাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ আৰু খেলুৱৈৰ প্ৰসাধন কক্ষৰো শুভ উদ্বোধন কৰে। উল্লেখ্য যে অসম যুৱ উন্নয়ন অভিযান ছ'চাইটিৰ ২০ লাখ টকাৰ পুঁজিৰে এই খেলপথাৰ আৰু খেলুৱৈৰ প্ৰসাধন কক্ষৰ নিৰ্মাণ কৰা হৈছে।

**সুঃদঃ / পুঃডেঃ / বঃভাঃ**
**১৫/০১/২০২১**